# গোদাৱৰী পাৰুলেকাৰ
# -বনাম-
# বোম্বে চৰকাৰ আৰু অন্যান্য

[মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী, ন্যায়াধীশ মুখাৰজিয়া, ন্যায়াধীশ চন্দ্ৰশেখৰ আয়াৰ, ন্যায়াধীশ ভিভিয়ান বোস আৰু ন্যায়াধীশ গুলাম হাচান]

(আৱেদন নং ৩৯৯ চন ১৯৫২)

*প্ৰতিৰোধমূলক আটক আইন, ১৯৫০, প্ৰতিৰোধমূলক আটক (দ্বিতীয় সংশোধনী) আইন, ১৯৫২ ৰ দ্বাৰা সংশোধিত, ধাৰা ১১-ক-বৈষম্যমূলক নেকি- বৈধতা- ভাৰতৰ সংবিধান, ১৯৫০, অনুচ্ছেদ ১৪, ২২(৭)(খ)-"যদিহে আদেশত কম সময় নিৰ্ধাৰণ কৰা নহয়", ইয়াৰ অৰ্থ।*

১৯৫০ চনৰ প্ৰতিৰোধমূলক আটক (দ্বিতীয় সংশোধনী) আইন, ১৯৫২ৰ দ্বাৰা ১৯৫০ চনৰ প্ৰতিৰোধমূলক আটক আইনত সন্নিৱিষ্ট কৰা ধাৰা ১১-ক ত উল্লেখ কৰা হৈছিল যে যিকোনো আটকৰ ক্ষেত্ৰত জাৰি কৰা আদেশ অনুসৰি যিকোনো ব্যক্তিক আটক কৰিব পৰা সৰ্বোচ্চ সময়সীমা ব্যক্তি গৰাকীক আটক কৰাৰ তাৰিখৰ পৰা বাৰ মাহ হ'ব, আৰু সেইটো ধাৰা ১১ ত নিশ্চিত কৰা হৈছে । কিন্তু উপ-ধাৰা (২)য়ে আটককৰণক দুটা শ্ৰেণীত ভাগ কৰি ইয়াক যথাযোগ্য কৰি তুলিছিল কৰিছিল: (ক) যিবোৰত আটককৰণৰ আদেশ ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰৰ আগতে নিশ্চিত কৰা হৈছিল, আৰু (খ) যিবোৰ আদেশত আটকৰ নিশ্চিতকৰণ সেই তাৰিখৰ পিছত হৈছিল, আৰু ই যদিহে পূৰ্বৰ ক্ষেত্ৰৰ আদেশত আটককৰণ কম সময়ৰ বাবে নিৰ্ধাৰণ কৰা হোৱা নাই, তেন্তে সেই আটক ১৯৫৩ চনৰ ১ এপ্ৰিললৈকে বাহাল থাকিব নতুবা আটক কৰাৰ তাৰিখৰ পৰা বাৰ

মাহৰ বাবে বাহাল থাকিব,  আৰু এই দুয়োটাৰ যিটো পিছত শেষ হ'ব সেইটোহে প্ৰযোজ্য হব ।

*বিচাৰ কৰা হৈছিলঃ* (i) এই ধাৰাটোৱে সংবিধানৰ অনুচ্ছেদ ১৪ বা অনুচ্ছেদ ২২ (৭)(খ) কেৱল এই বাবে উলংঘন কৰা নাছিল যে ই এক নতুন শ্ৰেণীবিভাজন প্ৰৱৰ্তন কৰিছিল যিয়ে আটককৰণক আইন প্ৰণয়নৰ পূৰ্বৰ আৰু পিছৰ লোকসকলক বিভক্ত কৰিছিল যিহেতু শ্ৰেণীবিভাজনটো যুক্তিসংগত আছিল। এই ধাৰাত ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰৰ আগতে আটক কৰাটো নিশ্চিত কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত কোনো বৈষম্য কৰা হোৱা নাছিল, ইয়াৰ একমাত্ৰ কাৰণ হল এই ধাৰা অনুসৰি কিছুমান ব্যক্তিৰ ক্ষেত্ৰত আটকৰ ম্যাদ দীঘলীয়া হব পাৰে আৰু কিছুমানৰ ক্ষেত্ৰত আটকৰ ম্যাদ কম হব পাৰে;

*শামৰাও পাৰুলেকাৰ বনাম জিলা দণ্ডাধীশ, থানে আৰু অন্যান্য* ([১৯৫২] এচ.চি.আৰ. ৬৮৩) গোচৰৰ ৰায় অনুসৰণ কৰা হয় ।

(ii) ১৯৫১ চনৰ ১৬ অক্টোবৰত দিয়া আটককৰণৰ আদেশ, য'ত আটকৰ কোনো সময়সীমা নিৰ্ধাৰণ কৰা নাছিল, তেনে ক্ষেত্ৰত ১১-ক (২) ধাৰাৰ পৰিসৰৰ ভিতৰত "আদেশত কম সময় নিৰ্ধাৰণ কৰা হৈছিল" ইয়াৰ একমাত্ৰ কাৰণ হল আটককৰণৰ ম্যাদ হয়তো ১৯৫২ চনৰ ৩১ মাৰ্চ বা ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰত শেষ হৈছিল, কিন্তু সেইটো সংশোধনী আইনৰ বাবেহে।

**মূল ক্ষেত্ৰাধিকাৰ: আবেদন নং ৩৯৯  চন ১৯৫২ । ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত হাবিয়াছ কৰ্পাছৰ প্ৰকৃতিৰ লেখ আবেদন।**

আবেদনকাৰীৰ অধিবক্তা-  আবেদনকাৰী গোদাবৰী পাৰুলেকাৰ নিজে ।

অপৰ পক্ষক প্ৰতিনিধিত্ব কৰে- ভাৰতৰ এটৰ্নী জেনেৰেল এম. চি. চেটালভাদ তেওঁক সহযোগ কৰে জি.এন. যোশী আৰু পি.এ. মেহতাই ।

আদালতৰ ৰায় প্ৰদান কৰা হৈছিল ১৯৫২ চনৰ ৫ ডিচেম্বৰত ।

***ন্যায়াধীশ বসু –***

এই আবেদনখন সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত দাখিল কৰা এখন হেবিয়াছ কৰ্পাছ লেখ আবেদন । আবেদনকাৰীক ১৯৫১ চনৰ ১৬ অক্টোবৰত ১৯৫১ চনত সংশোধিত প্ৰতিৰোধমূলক আটক আইনৰ অধীনত আটক কৰা হৈছিল। তেওঁৰ আটক কৰি ৰাখিব পৰা সময়সীমা প্ৰকৃততে ইয়াতকৈ দীঘলীয়া আছিল কিন্তু পূৰ্বতে কৰা আটকবোৰ এক পৃথক নিৰ্দেশৰ অধীনত আছিল যিবোৰ বৰ্তমানৰ বিষয়টোৰ সৈতে প্ৰাসংগিক নহয়। এই গোচৰত উত্থাপিত আটকৰ বিষয়টো থানে জিলাৰ ন্যায়াধীশৰ আদেশৰ ওপৰত আধাৰিত আৰু ইয়াত কেৱল কোৱা হৈছিল যে আবেদনকাৰীক কোনো সময়সীমা নিৰ্ধাৰণ নকৰাকৈ আটক কৰা হ'ব। আটক নিশ্চিতকৰণৰ আদেশ ১৯৫২ চনৰ ৪ জানুৱাৰীত গৃহীত কৰা হৈছিল, আৰু তাতো কোনো সময়সীমা নিৰ্দিষ্টকৈ উল্লেখ কৰা হোৱা নাছিল। আবেদনকাৰীৰ গোচৰটো হ'ল যে আদেশটোত কোনো সময়সীমা নিৰ্ধাৰণ কৰা হোৱা নাছিল কাৰণ ১৯৫১ চনৰ সংশোধনী আইনৰ বাবে তেওঁৰ আটকৰ ম্যাদ ১৯৫২ চনৰ ৩১ মাৰ্চত সমাপ্ত হৈছিল; বা ১৯৫২ চনৰ XXXIV নং আইনৰ বাবে ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰলৈ থকা ম্যাদৰ বাহিৰত, যিখন আইনৰ জৰিয়তে পৰৱৰ্তী সংশোধন কৰা কৰিছিল।

বোম্বাই চৰকাৰৰ হৈ যুক্তি আগবঢ়ায় যে ১৯৫০ চনৰ প্ৰতিৰোধমূলক আটক আইনখন পুনৰ ১৯৫২ চনৰ আইন নং LXI ৰ দ্বাৰা সংশোধন কৰা হয় আৰু ১৯৫০ চনৰ মূল আইনখনত ১১-ক ধাৰা সংযোজন কৰাৰ বাবে আবেদনকাৰীক আটক কৰি ৰখাৰ সময়সীমা ১৯৫৩ চনৰ ৩১ মাৰ্চলৈকে বৃদ্ধি কৰা হৈছে। আবেদনকাৰীয়ে ইয়াৰ বিপৰীতে কয় যে নতুন আইনখন এনে গোচৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় য'ত আটকৰ আদেশত ইয়াৰ সময়সীমা নিৰ্দিষ্ট কৰা হয় আৰু সেয়েহে ১১-এ ধাৰাটোৱে তেওঁৰ আটকৰ সময়সীমা বৃদ্ধি কৰাৰ ক্ষেত্ৰত কোনো

অৰিহনা নোযোগায় । তেওঁ ১১-ক(২) ধাৰাটোৰ উদ্ধৃত উক্তিৰ ওপৰত আস্থা প্ৰকাশ কৰে- ১৯৫২ চনৰ প্ৰতিৰোধমূলক আটক (দ্বিতীয় সংশোধনী) আইন বলবৎ হোৱাৰ পূৰ্বে ধাৰা ১১ৰ অধীনত নিশ্চিত কৰা প্ৰতিটো আটকৰ আদেশ, যদিহে উক্ত আদেশত কম সময়ৰ কথা উল্লেখ কৰা হোৱা নাই, তেন্তে সেয়া ১৯৫৩ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখলৈকে বলবৎ থাকিব ।

আৱেদনকাৰীয়ে স্বীকাৰ কৰে যে তেওঁক আটক কৰি ৰখাৰ বাবে দিয়া আদেশত কোনো কম সময় নিৰ্ধাৰণ কৰা হোৱা নাই কিন্তু তেওঁ দাবী কৰে যে যিহেতু তেওঁৰ আটকৰ ম্যাদ ১৯৫২ চনৰ ৩১ মাৰ্চ বা ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰত ম্যাদ উকলি গ'লহেঁতেন, সেই দুটা তাৰিখৰ এটা এতিয়া আদেশত পঢ়িব লাগিব আৰু যেতিয়া সেইটো কৰা হয় তেতিয়া আমি প্ৰদান কৰা এটা আদেশ আছে যিয়ে কম সময় হিচাপে নিৰ্ধাৰণ কৰে, সেয়েহে ১১-এ ধাৰাটোৱে তেওঁৰ আটকৰ সময়সীমা বৃদ্ধি কৰাৰ ক্ষেত্ৰত কোনো অৰিহনা নোযোগায় । আমি এই যুক্তি গ্ৰহণ কৰিব নোৱাৰো। ধাৰাটো স্পষ্ট আৰু যেতিয়ালৈকে আদেশত কম সময় নিৰ্ধাৰণ কৰা নহয়, ধাৰাটো ১১-ক(২) প্ৰযোজ্য হয়। আমি এই খণ্ডত "বা পূৰ্বৰ আইনৰ ম্যাদ শেষ হোৱাৰ কাৰণে নিৰ্দিষ্ট কৰা হৈছে বুলি গণ্য কৰিব লাগিব" শব্দবোৰ যোগ কৰিব নোৱাৰোঁ। সেয়েহে আমি ধাৰণা কৰোঁ যে ১১-ক(২) ধাৰাই বৈধভাৱে ১৯৫৩ চনৰ ১ এপ্ৰিললৈকে আটকৰ ম্যাদ বৃদ্ধি কৰিছিল। আবেদনকাৰীৰ পৰৱৰ্তী বিষয়টো সংবিধানৰ ১৪ আৰু ২২(i)(খ) অনুচ্ছেদৰ ওপৰত আধাৰিত। ইয়াৰ উদ্ভৱ এনেদৰেই হয়। ১৯৫০ চনৰ প্ৰতিৰোধমূলক আটক আইনৰ ধাৰা ৩(১)(ক)-এ অনুমোদিত আটকৰ আধাৰসমূহক তিনিটা শ্ৰেণীত বিভক্ত কৰে। অনুচ্ছেদ ২২(i)(খ)-এ সংসদক "যিকোনো শ্ৰেণী বা শ্ৰেণীৰ গোচৰত" যিকোনো ব্যক্তিক আটক কৰি ৰাখিব পৰা সৰ্বাধিক সময়সীমা নিৰ্ধাৰণ কৰিবলৈ ক্ষমতা প্ৰদান কৰে। আবেদনকাৰীয়ে যুক্তি দিয়ে যে ই প্ৰতিটো শ্ৰেণীৰ বাবে কেৱল সৰ্বাধিক

সময়সীমা নিৰ্ধাৰণৰ অনুমতি দিয়ে আৰু যদি এটা শ্ৰেণীৰ ভিতৰত "সমান" ৰ বাবে বেলেগ বেলেগ সৰ্বোচ্চতা প্ৰদান কৰা হয় তেন্তে ই কেৱল অনুচ্ছেদ ২২(i)(খ)-ক নহয় বৰঞ্চ এই আদালতৰ সিদ্ধান্তৰ দ্বাৰা ব্যাখ্যা কৰা ১৪ নং অনুচ্ছেদকো অৱমাননা কৰে। ইয়াৰ পিছত তেওঁ যুক্তি দিয়ে যে এতিয়া ১৯৫২ চনৰ দ্বিতীয় সংশোধনী আইন (১৯৫২ চনৰ আইন নং LXI) ৰ দ্বাৰা প্ৰৱৰ্তন কৰা ধাৰা ১১-ক-য়ে ঠিক সেইটোৱেই কৰে আৰু সেয়েহে এইটো ক্ষেত্ৰাধিকাৰৰ বাহিৰত। তেওঁৰ বক্তব্য তলত দিয়া ধৰণে উল্লেখ কৰা হল- ধাৰা ১১-কৰ উপ-ধাৰা (১)ত কোৱা হৈছে যে যিকোনো আটকৰ আদেশ, যিটো ধাৰা ১১ৰ অধীনত নিশ্চিত কৰা হৈছে, সেই আদেশ অনুসৰি যিকোনো ব্যক্তিক আটক কৰি ৰাখিব পৰা সৰ্বোচ্চ সময়সীমা আটক কৰা তাৰিখৰ পৰা বাৰ মাহ হ'ব । কিন্তু উপ-ধাৰা (২)-য়ে আটককৰণক দুটা শ্ৰেণীত ভাগ কৰি ইয়াক যথাযোগ্য কৰি তোলে; (ক) যিবোৰত আটককৰণৰ আদেশ ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰৰ আগতে নিশ্চিত কৰা হৈছিল, আৰু (খ) যিবোৰত নিশ্চিতকৰণ সেই তাৰিখৰ পিছত হৈছিল, আৰু ইয়াত সেই কথা উল্লেখ কৰা হৈছে । পূৰ্বৰ গোচৰৰ ক্ষেত্ৰত যদিহে আদেশত কম সময় নিৰ্ধাৰণ কৰা হোৱা নাই, তেন্তে আটক হয় ১৯৫৩ চনৰ ১ এপ্ৰিললৈকে বা আটক কৰাৰ তাৰিখৰ পৰা বাৰ মাহৰ বাবে, যিটোৰ ম্যাদ পিছত উকলি যাব সেইটোহে প্ৰযোজ্য হব। তেওঁ কয়- এইটোৱে এটা নতুন শ্ৰেণীবিভাজনৰ প্ৰৱৰ্তন কৰে যিয়ে আটককৰণক আইনখনৰ আগৰ আৰু পিছৰ বুলি বিভাজন কৰে। তেওঁ কয় যে এইটো ক্ষেত্ৰাধিকাৰৰ বাহিৰত । ইয়াৰ প্ৰথম কাৰণ হল ই আইনখনৰ ৩ নং ধাৰাৰ অধীনত তেওঁৰ আটককৰণ যি শ্ৰেণীৰ অন্তৰ্গত সেই শ্ৰেণীত এক বৈষম্যমূলক শ্ৰেণীবিভাজন প্ৰৱৰ্তন কৰে আৰু দ্বিতীয় কাৰণ হল ই আনকি ১৯৫২ চনৰ দ্বিতীয় সংশোধনী আইনৰ দ্বাৰা কৰা নতুন বিভাজনৰ দ্বাৰা তেওঁ আটকৰ নিৰ্ধাৰণৰ নতুন শ্ৰেণীতো বৈষম্যৰ সৃষ্টি কৰে।

প্ৰথম কথাটোৰ সন্দৰ্ভত, শ্বামৰাও ভি. পাৰুলেকাৰ –বনাম– জিলা দণ্ডাধীশ, থানে আৰু অন্যান্য(১) গোচৰত দিয়া ৰায়দান ইয়াত প্ৰযোজ্য হয়। সেই ক্ষেত্ৰত, আটকবোৰক সেইবোৰ শ্ৰেণীত বিভক্ত কৰা হৈছিল যিবোৰ ইতিমধ্যে পৰামৰ্শদাতা পৰিষদে বিবেচনা কৰিছিল আৰু যিবোৰ বিবেচনা কৰা হোৱা নাছিল। এইটো বৰ্তাই ৰখা হৈছিল। ইয়াত বিভাজনৰ ৰেখাটো পৃথক, অৰ্থাৎ এটা নিৰ্দিষ্ট তাৰিখ, কিন্তু নীতিটো একে আৰু সময়ে সময়ে কৰা বিভিন্ন সংশোধনৰ বিবেচনাৰ পৰা ইয়াৰ যুক্তিসঙ্গততা স্পষ্ট। ১৯৫০ চনৰ আইনখনৰ ম্যাদ, যিখন প্ৰধান আইন আছিল, ১৯৫২ চনৰ ১ অক্টোবৰলৈকে সংশোধনী আইনখনৰ (১৯৫২ চনৰ XXXIV আইন) ২ নং ধাৰা অনুসৰি বৃদ্ধি কৰা হৈছিল আৰু ৩ নং ধাৰাৰ প্ৰভাৱ আছিল ১৯৫২ চনৰ ১৪ মাৰ্চৰ পৰা বলবৎ হোৱা সকলো আটক, (যদিহে সেই তাৰিখৰ আগতে নিশ্চিত কৰা হৈছিল) যেতিয়ালৈকে মূল আইনখন বলবৎ আছিল। সেই তাৰিখত ইয়াৰ অৰ্থ আছিল ১৯৫২ চনৰ ১ অক্টোবৰলৈকে। কিন্তু ১৯৫২ চনৰ দ্বিতীয় সংশোধনী আইনখনে মূল আইনখন ১৯৫৪ চনৰ ৩১ ডিচেম্বৰলৈকে সম্প্ৰসাৰণ কৰিছিল। গতিকে ধাৰা ১১-কৰ অবৰ্তমানত সেই সকলোবোৰ আটক সেই তাৰিখলৈকে বৃদ্ধি কৰা হ'লহেঁতেন। কিন্তু ধাৰা ১১-কত সেইটো সংশোধন কৰি এই পুৰণি আটকৰ শেহতীয়া তাৰিখ হিচাপে ১৯৫৩ চনৰ ১ এপ্ৰিল তাৰিখ নিৰ্ধাৰণ কৰা হয় । (১)[১৯৫২] এছ.চি.আৰ. ৬৮৩, ৬৯১ আৰু ৬৯৩ অত।

সেয়েহে ইয়ে এটা সুবিধা প্ৰদান কৰিছিল আৰু ইয়াক অযুক্তিকৰ বুলি ধৰিব নোৱাৰি। ধাৰা ১১-কৰ উপধাৰা (৩)ত দেখা গৈছে যে সেইটোৱেই আছিল ইয়াৰ উদ্দেশ্য। কিন্তু আবেদনকাৰীয়ে বৈষম্যৰ দোহাই দি এই বিধানসমূহৰ সমালোচনা কৰে। তেখেতে কয় যে আনকি ১৯৫২ চনৰ ৩০ ছেপ্টেম্বৰৰ আগৰ আৰু পিছৰ আটকসমূহৰ নতুন শ্ৰেণীবিভাজনটো ভাল বুলি ধৰি ল'লেও ১১-ক ধাৰাটো তথাপিও বৈষম্যমূলক কাৰণ ই তেওঁৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত লোকসকলৰ মাজতো বৈষম্য

সৃষ্টি কৰে, অৰ্থাৎ যিসকলক তেনেদৰে আটক কৰা হৈছিল । নিজৰ আটকৰ গোচৰটোৰ ক্ষেত্ৰত তেওঁ আঙুলিয়াই দিলে যে যদি ১১-ক ধাৰা ভাল বুলি ধৰা হয়, তেন্তে ১৯৫৩ চনৰ ১ এপ্ৰিললৈকে চলি থাকিব, অৰ্থাৎ তেওঁক আটক কৰি ৰখাৰ সময়সীমা ১৯৫১ চনৰ ১৬ অক্টোবৰৰ পৰা ১৯৫৩ চনৰ ১ এপ্ৰিললৈকে সাড়ে সোতৰ মাহৰ বাবে হ'ব । আনহাতে, তেওঁক আটক কৰাৰ পিছত, ধৰি লোৱা হল এজন ব্যক্তিক ১৯৫২ চনৰ ছেপ্টেম্বৰৰ শেষত আটক কৰা হ'লহেঁতেন, তেতিয়াও সেই ব্যক্তিজনক ১৯৫৩ চনৰ ১ এপ্ৰিলত মুকলি কৰি দিব লাগিলহেতেন, আৰু সেই ক্ষেত্ৰত আটক মাত্ৰ ছমাহৰ বাবে হ'লহেঁতেন। আমাৰ মতে, এইটো অনুচ্ছেদ ১৪-ৰ পৰিসৰৰ ভিতৰত বৈষম্য নহয়। এক নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰি, যেনে বাৰ মাহ, বা ইয়াৰ অতিৰিক্ত সময়সীমা নিৰ্ধাৰণ কৰি এক সৰ্বাধিক সময়সীমা নিৰ্ধাৰণ কৰিব পাৰি, আৰু এনে ক্ষেত্ৰত এয়া অনিবাৰ্য যে প্ৰতিটো পৃথক আটকৰ ক্ষেত্ৰত আটকৰ সময়সীমা পৃথক হ'ব। পৰৱৰ্তী সময়ত আটক কৰাসকলক কম সময়ৰ বাবে আটক কৰি ৰখাটো নিশ্চিত। চৰকাৰে সকলোকে একে সময়ৰ বাবে আটক কৰি ৰাখিব নোৱাৰিব। ইয়াৰ বিবেচনাশক্তি আছে। তদুপৰি, উপযুক্ত চৰকাৰক পূৰ্বৰ যিকোনো সময়ৰ আটকৰ আদেশ বাতিল বা পৰিৱৰ্তন কৰাৰ ক্ষমতা দিয়া হৈছে। এই কথাটো শ্বামৰাও ভি পাৰ্লেকাৰ বনাম জিলা দণ্ডাধীশ, থানে আৰু অন্যান্য (১) গোচৰত বিবেচনা কৰা হৈছিল আৰু আটক কৰি ৰখা ব্যক্তিৰ বিৰুদ্ধে সিদ্ধান্ত লোৱা হৈছিল।

আবেদনকাৰীয়ে তেওঁক আটক কৰাৰ ভিত্তি অস্পষ্ট বুলি পুনৰ দাবী কৰি কৈছিল যে তেওঁৰ আবেদনৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি আদালতে পুনৰ শুনানি লোৱাৰ ব্যৱস্থা লব লাগে । তেখেতে শামৰাও ভি পাৰুলেকাৰ বনাম বম্বে চৰকাৰ গোচৰৰ ৰায়(২)ৰ ওপৰত আস্থা প্ৰকাশ কৰে য'ত আন এজন আটক কৰি ৰখা ব্যক্তিক এই ন্যায়ালয়ৰ আন এখন বিচাৰপীঠে এনে পৰিস্থিতিত মুকলি কৰি দিছিল

যিটো তেওঁৰ মতে এইটো বিষয়ত বহুত সাদৃশ্য আছে। ইতিমধ্যে তেওঁৰ আবেদন গুণাগুণৰ ভিত্তিত নাকচ কৰা হৈছে বাবে আমি ইয়াৰ পুনৰ শুনানিৰ অনুমতি দিব পৰা নাই। তেওঁক কেৱল সাংবিধানিক বিষয়তহে যুক্তি প্ৰদৰ্শন কৰিবলৈ দিয়া হৈছিল। আমি বুজি পাওঁ যে আনখন আবেদনত এই তথ্য আদালতৰ দৃষ্টিগোচৰ কৰা হোৱা নাছিল। আবেদন খাৰিজ কৰা হৈছে।

আবেদন খাৰিজ কৰা হল।

প্ৰতিপক্ষক প্ৰতিনিধিত্ব কৰে: জি. এইচ ৰাজাধ্যক্ষ

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")